### কাৰ্বি আংলঙত ধনৰ লালসাতে গাঁওবুঢ়াই দিছে প্ৰমাণ-পত্ৰ

# এন আৰ চিত বহিৰাগতৰ নাম অন্তৰ্ভুক্তিৰ সম্ভাৱনা

ডিফু ঃ ষ্টাফ ৰিপ'ৰ্টাৰ, ২৪ জুলাই ঃ ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত কাৰ্বি আংলং জিলাত বহু বহিৰাগতৰ নামভৰ্তিৰ আশংকা প্ৰকট হৈ পৰিছে। উচ্চতম ন্যায়ালয়ে খিলঞ্জীয়া জনসাধাৰণৰ সাংবিধানিক ৰক্ষা কৱচ ৰূপে অসমত আৰম্ভ কৰা ৰাষ্ট্ৰীয় নাগৰিকপঞ্জীত কাৰ্বি আংলং জিলাত বসবাস কৰি থকা বিভিন্ন সম্প্ৰদায়ৰ বহু বহিৰাগত নাগৰিকৰ নাম অন্তৰ্ভুক্তিৰ প্ৰচেষ্টা অব্যাহত আছে বুলি এক নিশ্চিত সূত্ৰই দাবী কৰিছে। সূত্ৰটোৱে দাবী কৰা মতে উচ্চতম ন্যায়ালয়ে গাঁওসমূহৰ গাঁওবুঢ়াৰ প্ৰমাণ-পত্ৰকো বৈধ নথি হিচাপে গ্ৰহণ কৰাত বাধা আৰোপ নকৰাৰ ফলতে জিলাখনত বহু বহিৰাগতই এন আৰ চিত অন্তৰ্ভুক্ত হোৱাৰ সুবিধা লাভ কৰিব। জিলাখনৰ বহু গাঁওবুঢ়াই অকণমান সহজলভ্য ধনৰ লালসাতে সন্দেহযুক্ত বহু নাগৰিকক প্ৰমাণ-পত্ৰ প্ৰদান কৰিছে। ইয়াৰ বাবে বহু গাঁওবুঢ়াই নিজৰ নামত পেড ছাপ পৰ্যন্ত চলাই নিয়া বুলিও জানিব পৰা গৈছে। গাঁওবুঢ়াসকলে এন আৰ চি প্ৰকৃত মূল নুবুজাৰ ফলতে এনে ঘটনা সংঘটিত হোৱা বুলিও সূত্ৰটোৱে দাবী কৰিছে। জিলাখনৰ জাতীয়, ছাত্ৰ তথা অগ্ৰণী সংগঠনসমূহে জিলাখনত চলি থকা এনে অনিয়মৰ যদি সময় থাকোঁতে দ্ৰুত পদক্ষেপ নলয় তেনেহ'লে আগন্তুক দিনত জিলাখনৰ পৰা বহু সন্দেহযুক্ত নাগৰিকৰ নাম এন আৰ চিত অন্তৰ্ভুক্ত হোৱাটো নিশ্চিত। একেদৰে জিলা প্ৰশাসন আৰু এন আৰ চিৰ লগত জড়িত বিষয়া-কৰ্মচাৰীসকলে যদি এই প্ৰমাণ-পত্ৰসমূহ উপযুক্ত ব্যৱহাৰ পৰ্যবেক্ষণ বা প্ৰমাণ নকৰে তেনেহ'লে পাহাৰীয়া জিলাখনত ভৱিষ্যতে বহিৰাগত সমস্যাই গভীৰ প্ৰভাৱ পেলাব বুলিও সূত্ৰটোৱে দাবী কৰিছে।

দৈনিক জনমভূমি ২৫/৭